# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 03-06-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::**

১। বিশ্বৰ ঘৰুৱা বিমান পৰিবহণ খণ্ডত ভাৰত তৃতীয় সৰ্ববৃহৎ দেশ হিচাপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰসংঘৰ লেখীয়া বহুপাক্ষিক মঞ্চত ভাৰতৰ স্থিতিলৈ অবিৰত সমৰ্থন আগবঢ়োৱাৰ বাবে পাৰাগুৱেৰ শলাগ লৈছে।

৩। ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, এন চি ই আৰ টিয়ে অসাধু উপায়েৰে পাঠ্যপুথিৰ প্ৰস্তুত, বিতৰণ আৰু বিক্ৰীৰ সৈতে জড়িত অপৰাধীসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিছে।

৪। চিকিৎসা বিজ্ঞানৰ ৰাষ্ট্ৰীয় পৰীক্ষা পৰিষদে অহা ১৫ জুনত হ'বলগীয়া চলিত বৰ্ষৰ নীট পিজি সাময়িকভাৱে পিছুৱাই দিয়াৰ কথা ঘোষণা কৰিছে।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ চলিত সংস্কৰণৰ ফাইনেল খেলখন আজি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু আৰু পাঞ্জাব কিংছৰ মাজত অনুষ্ঠিত হ'ব।

০০০০০

বিশ্বৰ ঘৰুৱা বিমান পৰিবহণ খণ্ডত ভাৰত তৃতীয় সৰ্ববৃহৎ দেশ হিচাপে পৰিগণিত হোৱাৰ লগতে বিশ্ব মহাকাশ বিমান ক্ষেত্ৰত ভাৰতে নেতৃত্ব বহন কৰিছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত কালি সন্ধিয়া আন্তৰাষ্ট্ৰীয় আকাশ পৰিবহন সংস্থাৰ ৮১ সংখ্যক বাৰ্ষিক সাধাৰণ সন্মিলনত ভাগ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইকথা প্ৰকাশ কৰে। উড়ান আঁচনিৰ সফলতাই ভাৰতৰ অসামৰিক বিমান পৰিবহণ খণ্ডত সোণালী অধ্যায়ৰ সূচনা কৰিছে বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত অসামৰিক বিমান পৰিবহন মন্ত্ৰী কে. ৰামমোহন নাইডুৱে কয় যে সমাগত ৫ বছৰত দেশত আৰু ৫০ টা বিমান বন্দৰ উন্নয়নৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ কয়, যে ২০১৪ চনত দেশত মাত্ৰ ৭৬ টা বিমান বন্দৰ আছিল। বৰ্তমান ৩৩টা আন্তৰাষ্ট্ৰীয় বিমান বন্দৰকে ধৰি এই পৰ্যন্ত ১৬২ লৈ বিমান বন্দৰৰ সংখ্যা বৃদ্ধি হৈছে বুলি অসামৰিক বিমান পৰিবহন মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। দুদিনীয়াকৈ অনুষ্ঠিত এই সন্মিলনৰ আজি সামৰণি পৰিব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰসংঘৰ লেখীয়া বহুপাক্ষিক মঞ্চত গোলকীয় গুৰুত্বপূৰ্ণ বিষয়সমূহত ভাৰতৰ স্থিতিলৈ অবিৰত সমৰ্থন আগবঢ়োৱাৰ বাবে পাৰাগুৱেৰ শলাগ লৈছে। ৰাষ্ট্ৰপতি ভৱনত পাৰাগুৱেৰ ৰাষ্ট্ৰপতি ছেণ্টিয়াগ' পেনা পালাছিঅ'চক আদৰণি জনাই শ্ৰীমতী মুৰ্মুৱে ভাৰত আৰু পাৰাগুৱেৰ সম্পৰ্কক আন্তৰিক আৰু বন্ধুত্বপূৰ্ণ হিচাপে আখ্যা দিয়ে। পেহেলগামত সংঘটিত সন্ত্ৰাসবাদীৰ জঘন্য আক্ৰমণৰ ঘটনাৰ পাছত সন্ত্ৰাসবাদক তীব্ৰ নিন্দা কৰাৰ লগতে ভাৰতলৈ সংহতিৰ বাৰ্তা প্ৰেৰণ কৰাৰ

বাবে তেওঁ পাৰাগুৱেৰ চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে উভয় দেশে গণতন্ত্ৰ, মানৱাধিকাৰ, আইনৰ নীতি, মত প্ৰকাশৰ স্বাধীনতা, শান্তি, সাৰ্বভৌমত্বৰ প্ৰতি সন্মান তথা ভৌগোলিক অখণ্ডতাৰ লেখীয়া একেধৰণৰ নীতিত বিশ্বাস কৰি চলে। অভ্যাগত ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে অনুষ্ঠিত বৈঠকৰ সময়ত দুয়োগৰাকী নেতাই উভয় দেশৰ সম্পৰ্ক অধিক ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত অপৰিসীম অৱকাশ আছে বুলি মত প্ৰকাশ কৰে। পাৰাগুৱেৰ ৰাষ্ট্ৰপতিগৰাকীৰ সাম্প্ৰতিক ভ্ৰমণে উভয় দেশৰ সম্পৰ্ক অধিক শক্তিশালী কৰাৰ লগতে বন্ধুত্ব গভীৰ কৰিবলৈ নতুন বাট মুকলি কৰিব বুলিও দুয়োগৰাকী ৰাষ্ট্ৰপতিয়ে আস্থা প্ৰকাশ কৰে। গোলকীয় দক্ষিণৰ অংশ হিচাপে ভাৰত আৰু পাৰাগুৱেৰ বিকাশৰ ক্ষেত্ৰত একেধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈ বুলিও ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে মন্তব্য কৰে। তেওঁ কয়, যে শিক্ষা, নিয়োগ আৰু সামৰ্থ বৃদ্ধিত বিনিয়োগ আৰু অৰ্থনৈতিক সবলীকৰণৰ জৰিয়তে উভয় দেশে একে পদ্ধতিৰে এই প্ৰত্যাহ্বানসমূহৰ সমাধান কৰি আহিছে।

ooooo

ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, এন চি ই আৰ টিয়ে অসাধু উপায়েৰে স্বত্ববিহীনভাৱে পাঠ্যপুথিৰ প্ৰস্তুত, বিতৰণ আৰু বিক্ৰীৰ সৈতে জড়িত অপৰাধীসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিছে। এই ধৰণৰ কাৰ্যকলাপৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰি পৰিষদে এই পৰ্যন্ত ২০ কোটি টকাৰো অধিক মূল্যৰ কিতাপ, ছপাৰ কামৰ ব্যৱহৃত কাগজ আৰু যন্ত্ৰপাতি জব্দ কৰিছে। পৰিষদে লগতে এইধৰণৰ সামগ্ৰী মজুত ৰখা গুদামৰ মালিক আৰু খুচুৰা বিক্ৰেতাৰ বিৰুদ্ধে ২৯টা গোচৰ ৰুজু কৰা জানিব পৰা গৈছে। বিগত ১৪টা মাহজুৰি এই ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি শিক্ষা মন্ত্ৰালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰিছে।

মন্ত্ৰালয়ে জনোৱা অনুসৰি এইধৰণৰ পাঠ্যপুথিৰ প্ৰকাশ আৰু প্ৰচাৰ ৰোধ কৰিবলৈ পৰিষদে নিজৰ পাঠ্যপুথিৰ মান আৰু সুৰক্ষা বৃদ্ধিৰ বাবে বিভিন্ন উদ্যম গ্ৰহণ কৰিছে। পৰিষদে নিজে প্ৰকাশ কৰা পাঠ্যপুথিসমূহ বজাৰত অধিক সুলভ কৰাৰ বিষয়েও চিন্তা-চৰ্চা কৰিছে বুলি বিবৃতিটোত প্ৰকাশ কৰা হৈছে।

ooooo

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা- চি বি আই আয়ে ভাৰতীয় ৰাজহ সেৱা বিভাগৰ এগৰাকী জ্যেষ্ঠ বিষয়াসহ দুগৰাকী লোকক দুৰ্নীতিৰ অভিযোগত আটক কৰিছে। আটকাধীন লোক দুজনৰ স্বীকাৰোক্তিৰ ভিত্তিত তদন্তকাৰী সংস্থাটোৱে বিভিন্ন ঠাইত অভিযান চলাই বৃহৎ পৰিমাণৰ সা-সম্পত্তিৰ লগতে বহু নথি-পত্ৰ উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। কেন্দ্ৰীয় সংস্থাটোৱে প্ৰকাশ কৰা এটা বিবৃতি অনুসৰি অভিযানকালত সংস্থাটোৱে চাৰে তিনি কিলোগ্ৰাম সোণ, দুই কিলোগ্ৰাম ৰূপ আৰু এক কোটি নগদ ধন জব্দ কৰে। বিবৃতিটোত লগতে কোৱা হৈছে সংস্থাটোৱে ২৫টা বেংক একাউণ্ট আৰু দিল্লী, মুম্বাই তথা পঞ্জাবৰ বিভিন্ন ঠাইত থকা ভালেমান অস্থাৱৰ সম্পত্তিৰ তথ্য লাভ কৰিছে। অভিযুক্ত ৰাজহ বিষয়াগৰাকী নতুন দিল্লীৰ কৰ সেৱা বিভাগৰ অতিৰিক্ত সঞ্চালক প্ৰধান হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল।

ooooo

চিকিৎসা বিজ্ঞানৰ ৰাষ্ট্ৰীয় পৰীক্ষা পৰিষদে অহা ১৫ জুনত স্নাতকোত্তৰ পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে হ'বলগীয়া চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় যোগ্যতা তথা প্ৰৱেশ পৰীক্ষা, নীট পিজি সাময়িকভাৱে পিছুৱাই দিয়াৰ কথা ঘোষণা কৰিছে। উচ্চতম ন্যায়ালয়ৰ এটা নিৰ্দেশ অনুসৰি পৰিষদে এই পৰীক্ষা একেটা ছিফ্‌টতে অনুষ্ঠিত কৰিব বুলি জানিবলৈ দিছে। পৰিষদে জনোৱা অনুসৰি পৰীক্ষাৰ বাবে অধিক কেন্দ্ৰ আৰু আন্তঃগাঁথনিৰ

খাতিৰত এই সিদ্ধান্ত লোৱা হৈছে। পৰীক্ষাৰ নতুন তাৰিখ শীঘ্রেই ঘোষণা কৰা হ'ব বুলি পৰিষদে প্রকাশ কৰিছে।

০০০০০

ভাৰতৰ পৰা ভিয়েটনামলৈ পঠিওৱা ভগৱান বুদ্ধৰ প্রতিমূর্তিৰ ভগ্নৱাশেষ প্রায় এক কোটি ৭৮ লাখ ভক্তই পৰিদর্শন কৰিছে। সংস্কৃতি মন্ত্রালয়ে কৈছে যে ভক্তসকলৰ এই পবিত্র ভ্রমণে দেশখনৰ দক্ষিণৰ পৰা উত্তৰলৈ বিভিন্ন দর্শনীয় স্থান সামৰি লৈছে। বুদ্ধ অনুগামী আৰু আধ্যাত্মিক সাধকসকলে বুদ্ধৰ প্রতি জনোৱা এই শ্রদ্ধাৰ জৰিয়তে সাংস্কৃতিক ঐক্যৰ পৰিচয় দিছে। সংস্কৃতি মন্ত্রালয়ে কৈছে যে এই শ্রদ্ধাৰ দৃষ্টিভংগীয়ে ৰাষ্ট্রীয় একতা আৰু শান্তিৰ বার্তাও বহন কৰিছে।

০০০০০

অসম আৰু মেঘালয়ৰ সামগ্রিক উন্নয়নৰ বাবে দুয়োখন ৰাজ্যই পাৰস্পৰিক সমিলমিলেৰে আগবাঢ়ি যোৱাৰ ক্ষেত্রত গুৰুত্ব আৰোপ কৰিছে। কালি গুৱাহাটীত অসম আৰু মেঘালয়ৰ মাজৰ সীমা বিবাদ নিষ্পত্তিৰ বাবে মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মা আৰু মেঘালয়ৰ মুখ্যমন্ত্রী কনৰাড চাংমাৰ মাজত অনুষ্ঠিত আলোচনাত এই বিষয়ত গুৰুত্ব আৰোপ কৰা হয়। মুখ্যমন্ত্রী ড০ শর্মাই জনোৱা মতে বৈঠকত আন্তঃৰাজ্যিক সীমা বিবাদ নিষ্পত্তিৰ লগতে গুৱাহাটীৰ কৃত্রিম বানপানী আৰু অসম-মেঘালয়ৰ সীমান্তত প্রস্তাৱিত কুলচি বহুমুখী জলসিঞ্চন প্রকল্প সন্দর্ভত আলোচনা অনুষ্ঠিত হয়।

মুখ্যমন্ত্রী ড০ শর্মাই ইতিমধ্যে সমাধান কৰা ৬টা সীমা বিবাদৰ সমস্যাবোৰ সংশ্লিষ্ট পক্ষৰ সৈতে আলোচনা আৰু সীমা চিহ্নিত হোৱাৰ পাছত অতি সোনকালে নিষ্পত্তি কৰাৰ উপৰি বাকী ৬টা বিবাদিত স্থান পাৰস্পৰিক সৌহাদ্যপূর্ণ আলোচনাৰ মাজেৰে নির্ধাৰিত সময়ৰ ভিতৰত সমাধান কৰা হ'ব বুলি প্রকাশ কৰে। দুয়োখন ৰাজ্যই গুৱাহাটীৰ নগৰীয়া বান সমস্যাৰ সমাধানৰ বাবে বান প্রৱণ এলেকাৰ সঠিক উপগ্রহ মেপিং কৰিবলৈ নেচাকক দায়িত্ব অর্পণ কৰাৰ ক্ষেত্রত সন্মতি প্রকাশ কৰে।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্রিপুৰাৰ ঠাই বিশেষে ধাৰাষাৰ বৰষুণৰ আগলি বতৰা প্রকাশ কৰিছে। বিভাগে প্রকাশ কৰা অনুসৰি আজি অৰুণাচল প্রদেশ, পূব ৰাজস্থান, হাৰিয়ানা, চণ্ডীগড়, দিল্লী, কেৰালা, মাহে, গোৱা, পঞ্জাব, উত্তৰাখণ্ড আদি অঞ্চলতো মুষলধাৰ বৰষুণ হ'ব পাৰে। ইপিনে জম্মু-কাশ্মীৰ, লাডাখ, গিলগিট বাল্টিস্তান-মুজাফ্ফৰাবাদ, হিমাচল প্রদেশ, উত্তৰাখণ্ড, পঞ্জাব, হাৰিয়ানা, চণ্ডীগড় আৰু দিল্লীৰ ঠাই বিশেষে আজি ধুমুহা-বৰষুণৰ লগতে বিজুলী-ঢেৰেকনিৰ আশংকা আছে বুলি বিভাগে প্রকাশ কৰিছে। অৱশ্যে পৰৱর্তী ৪৮ ঘণ্টা পর্যন্ত ওড়িশা, পশ্চিমবংগ, অন্ধ্রপ্রদেশ, য়ানাম, তামিলনাডু, পুডুচেৰী আৰু কাৰাইকালৰ অঞ্চল বিশেষে তাপমাত্রা বেছি হ'ব পাৰে বুলিও বিভাগে জানিবলৈ দিছে।

০০০০০

আই পি এল ক্রিকেট প্রতিযোগিতাৰ চলিত সংস্কৰণৰ ফাইনেল খেলখন আজি ৰয়েল চেলেঞ্জার্ছ বেংগালুৰু আৰু পাঞ্জাব কিংছৰ  মাজত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া চাৰে ৭ বজাত আহমেদাবাদৰ নৰেন্দ্র মোদী ষ্টেডিয়ামত আৰম্ভ হ'ব। ৰজত পাটিদাৰ নেতৃত্বাধীন বেংগালুৰুৰ দলটোৱে চণ্ডীগড়ত অনুষ্ঠিত প্রথমখন কোৱালিফায়াৰ খেলত পঞ্জাৱ কিংছক ৮ উইকেটত আৰু শ্রেয়াছ আয়াৰৰ নেতৃত্বাধীন পাঞ্জাব কিংছে আহমেদাবাদত অনুষ্ঠিত দ্বিতীয়খন কোৱালিফায়াৰ খেলত মুম্বাই

ইণ্ডিয়ানছক ৫ উইকেটত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। উল্লেখযোগ্য যে এই পৰ্যন্ত আজি খেলিবলগীয়া দল দুটাৰ কোনো এটায়ো আই পি এলৰ খিতাপ দখল কৰিব পৰা নাই।

ooooo

সাম্প্ৰতিক বিশ্ব চেম্পিয়ন ভাৰতৰ ডি গুকেশে যোৱা নিশা ষ্টেভেনজাৰ চিটীত চলি থকা নৰ'ৱে দবা প্ৰতিযোগিতাত সতীৰ্থ খেলুৱৈ গ্ৰেণ্ড মাষ্টাৰ অৰ্জুন এৰিগাইচিক সপ্তম ৰাউণ্ডত পৰাস্ত কৰে। প্ৰতিযোগিতাত ইয়াৰ পূৰ্বে হোৱা মুখামুখিত অৰ্জুনে গুকেশৰ বিৰুদ্ধে বিজয় সাব্যস্ত কৰিছিল। ১৯ বৰ্ষীয় গুকেশে বগা গুটিৰে খেলি কালিৰ খেলখনত বিজয় অৰ্জন কৰে। ইয়াৰ আগৰ খেলখনত গুকেশে বিশ্বক্ৰমৰ শীৰ্ষস্থানৰ খেলুৱৈ মেগনাছ কাৰ্লচেনক পৰাস্ত কৰিছিল। ক্ৰমাগতভাৱে দুখন খেলত অৰ্জন কৰা বিজয়ৰ সুবাদত গুকেশে কাৰ্লচেনক অতিক্ৰম কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ দ্বিতীয় স্থানত উপনীত হৈছে। সম্প্ৰতি ফেবিয়ানো কাৰুৱানা পইণ্ট তালিকাৰ শীৰ্ষস্থানত আছে। অনুৰাগী আৰু বিশ্লেষকসকলে গুকেশৰ এই প্ৰদৰ্শনক দৃঢ়তা আৰু মনোযোগৰ উজ্বল নিদৰ্শন হিচাপে অভিহিত কৰিছে।

ইপিনে গুকেশৰ বিৰুদ্ধে পৰাস্ত হোৱাৰ পাছৰ খেলখনত মেগনাছ কাৰ্লচেনেও প্ৰতিদ্বন্দ্বী হিকাৰু নাকামুৰাৰ বিৰুদ্ধে টাই ব্ৰেকাৰৰ জৰিয়তে বিজয় অৰ্জন কৰাৰ বাতৰি আহিছে।

ooooo

সমাপ্ত